*Total number of printed pages–3*

**14 (SEM–IV) ASM 4056**

Mahesh Chandra Dev Goswami Library
Acc. No.........................
Date.............................
Nowgong Girls' College

**2025**

**ASSAMESE**

Paper : ASM–4056

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) সংস্কৃতৰ পৰা পালি-প্ৰাকৃত আৰু অপভ্ৰংশ স্তৰলৈ বিকাশ হওঁতে ভাৰতীয় আৰ্যভাষাসমূহৰ কেনেধৰণে পৰিৱৰ্তন ঘটিছে, ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰা।

(খ) সংস্কৃতৰ ব্যঞ্জনসমূহক কি কি ভিত্তিত কেনেধৰণে শ্ৰেণীবিভাজন কৰিব পাৰি ? পালি-প্ৰাকৃত স্তৰত সংস্কৃতৰ ব্যঞ্জনবৰ্ণসমূহ কেনেধৰণে সৰলীকৃত ৰূপত প্ৰয়োগ হৈছে লিখা।

(গ) ‘সুপ্-বিভক্তি’ বুলিলে কি বুজা ? সংস্কৃতত সুপ্-বিভক্তিৰ যোগত প্ৰাতিপাদিকৰ কাৰক আৰু বচন কেনেদৰে নিৰ্ণয় হয়, সেই সম্পৰ্কে চমুকৈ লিখি পালি-প্ৰাকৃতত এই বিভক্তিৰ কেনেধৰণৰ পৰিৱৰ্তন হৈছে ব্যাখ্যা কৰা।

(ঘ) “পালি-প্ৰাকৃতত সংস্কৃতৰ ধাতুৰূপৰ জটিলতা আৰু বৈচিত্ৰ্য বহু পৰিমাণে কমিছে।” — উক্ত মন্তব্যৰ আধাৰত পালি-প্ৰাকৃতৰ ধাতুৰূপৰ প্ৰধান বিশেষত্বসমূহ নিৰূপণ কৰা।

(ঙ) মাগধীয় ভাষাগুচ্ছ বুলিলে কোনকেইটা ভাষাক বুজা যায়? তাৰ ভিতৰত *যিকোনো দুটা* ভাষাৰ প্ৰচলন-ক্ষেত্ৰ আৰু বিশেষত্ব সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া আৰু মৈথিলী/বাংলা/উড়িয়া *যিকোনো এটা* ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা কিমান ? অসমীয়া ভাষাৰ সৈতে মৈথিলী/ বাংলা/ উড়িয়া *যিকোনো এটা* ভাষাৰ ব্যঞ্জনধ্বনিৰ তুলনামূলক আলোচনা আগবঢ়োৱা।

(ছ) অসমীয়া ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়াৰ সৈতে মৈথিলী/বাংলা/ উড়িয়া *যিকোনো এটা* ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়াৰ তুলনামূলক আলোচনা যুগুত কৰা।

(জ) অসমীয়া ভাষাৰ ক্ৰিয়াপদৰ সৈতে মৈথিলী/বাংলা/উড়িয়া *যিকোনো এটা* ভাষাৰ ক্ৰিয়াপদৰ মিল-অমিল বিচাৰ কৰা।



২। তলৰ *যিকোনো চাৰিটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৫×৪=২০

(ক) সংস্কৃত আৰু পালি-প্ৰাকৃতৰ ব্যঞ্জন সন্ধি

(খ) পালি-প্ৰাকৃতৰ স্বৰধ্বনিৰ বৈচিত্ৰ্য

(গ) সংস্কৃত আৰু পালি-প্ৰাকৃতৰ লিংগ নিৰ্ণয় প্ৰক্ৰিয়া

(ঘ) অসমীয়া ভাষাৰ দ্বিৰুক্তিবাচকতা

(ঙ) অসমীয়া আৰু মৈথিলী/বাংলা/উড়িয়া ভাষাৰ কাৰক-শব্দ বিভক্তিৰ তুলনা

(চ) অসমীয়া আৰু মৈথিলী/বাংলা/উড়িয়া ভাষাৰ অবিভাজ্য ধ্বনি

---